بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡم   نَحۡمَدُہٗ وَنُصَلِّی عَلٰی رَسُوۡلِہِ الۡکَرِیۡم   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡد

# খোতবা জুমা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০২০ চনৰ ১৪ ফেব্ৰুৱাৰীত মছজিদ বায়তুল ফতুহ মৌৰডন (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - যোৱা জুমাৰ খোতবাত মই হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ৰ বিষয়ে আলোচনা কৰিছিলো কিন্তু তাৰে কিছু অংশ উল্লেখ কৰিবলৈ বাকী ৰৈ আছে। সেইখিনি ইনশা আল্লাহ আজি বৰ্ণনা কৰা হব। কাআব বিন আশ্ৰাফৰ বৰ্ণনা সম্পৰ্কে এয়া উল্লেখ কৰা হৈছিল যে হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে কাআবক প্ৰতাৰণাৰে ঘৰৰ পৰা উলিয়াই আঁতৰত লৈ গৈ হত্যা কৰিছে কিয় এয়া মিছাৰ আশ্ৰয় লোৱা হোৱা নাইনে ? আনহাতে কিছুমান উলামা সকলৰ মতে এখন হাদীছ অনুযায়ী তিনিটা বিষয়ত অথবা সেই হাদীছ খনৰ বূল ব্যাখা কৰা হৈছে যত তিনিটা অৱস্থাত মিছা কথা কব পৰা জায়েজ বুলি নিৰ্দ্ধাৰন কৰিছে। এজন খৃষ্টান লোকে এয়া অভিযোগ উথাপন উল্লেখ কৰিছিল যে আঁহজৰত (ছাঃ)য়ে মিছা কথা কবলৈ আৰু নিজৰ ধৰ্মক ঢাকি বা লুকাই ৰাখিবলৈ অনুমতি দিছে। এই অভিযোগৰ প্ৰত্যুৎত্তৰত হজৰত মছিহ মাওউদ (আইঃ)য়ে কৈছে যে - এয়া স্পষ্ট কথা যে যিমান দূৰ সততা অৱলম্বন সম্পৰ্কে কোৰ-আন মজিদত জোৰ দিছে মই মুঠেই এয়া মানি লব নোৱাৰো যে ইঞ্জিলত ইয়াৰ সমান সমান অনুৰূপ ভাৱে নিৰ্দেশ দিয়া আছে। কোৰ-আন শ্বৰিফত মিছা মাতাটোক পৌত্তলিকতাৰ লগত তুলনা কৰিছে। যেনেকৈ আল্লাহ তায়ালা কৈছে যে "ফাজতানিবুৰ ৰিজছা মিনাল আউছানি ওয়াজ আনিবু কাউলাজ্জুৰ" অৰ্থ্যাৎ মুৰ্ত্তি বিলাকৰ পঙ্কিলতা আৰু মিছাৰ পঙ্কিলতাৰ পৰা আঁতৰত থাকা। আকৌ আন এঠাইত উল্লেখ কৰিছে যে - "ইয়া আইয়ু হাল্লাজিনা আমানু কুনু কাউৱামিনা বিলকিছতি শ্বোহাদাতা লিল্লাহি ওয়া লাও আলা আনফুছিকুম আৱিল ওয়ালি দায়নি ওয়াল আকৰাবিন" অৰ্থ্যাৎ হে ঈমান স্থাপনকাৰী সকল ন্যায় আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত হৈ যোৱা আৰু আল্লাহৰ ওয়াস্তে সত্য সাক্ষী প্ৰদান কৰা, যদিও সেয়া তোমাকৰ প্ৰাণৰ ওপৰত আঘাত হানে অথবা তোমালোকৰ পিতৃ-মাতৃৰ আৰু তোমালোকৰ আত্মীয় স্বজনৰ সেই সাক্ষীৰ পৰা লোকচান ভৰিব লগা হয়। এতিয়া হে খোদা ভীতিহীন লোক সকল ! ইঞ্জিল খুলি চোৱা আৰু মোক কোৱা যে সত্যবাদীতাৰ পক্ষে ইঞ্জিলত কত ইমান জোৰ দিয়া হৈছে ?

আকৌ এই ঈছাই ফতেহ মছিক উদ্দেশ্য কৰি তেখেত (আইঃ)য়ে কৈছে যে - আপুনি লিখিছে যে আঁহজৰত (ছাঃ)য়ে তিনিটা ক্ষেত্ৰত মিছা কথা কোৱাৰ বাবে অনুমতি দিছে। কিন্তু এয়া আপোনাৰ মূৰ্খতাৰ বাবে আপুনি ভূল কৰিছে আৰু প্ৰকৃত কথা হল এয়া যে কোনো হাদীছতেই মিছা কথা কোৱাৰ কেতিয়াও সন্নিৱিষ্ট নাই। বৰং হাদীছত এই শব্দবোৰ সন্নিৱিষ্ট আছে যে "ইন কুতিলতা ওয়া উহৰিকতা" অৰ্থ্যাৎ সত্যক নেৰিবা যদিও তুমি নিহত হৈ যোৱা আৰু (তোমাক) জ্বলাই দিয়া হয়। আকৌ যি পৰিস্থিতিত কোৰ-আন পাকে কৈছে যে তোমালোকে ন্যায় আৰু সত্যক নেৰিবা যদিও তোমালোকৰ প্ৰাণ তাত বিনষ্ট হৈ যায় আৰু হত্যা কৰা হয় তথাপি সত্য কথা কবা। তেন্তে যদি নিৰ্দেশ হিচাপে কোনো হাদীছ কোৰ-আন আৰু ছহি হাদীছ বিৰুদী হয়, সেয়া গ্ৰহনযোগ্য নহয় কাৰণ আমি সেই হাদীছ গ্ৰহনযোগ্য বুলি মানি লওঁ যিবোৰ ছহি হাদীছ আৰু কোৰ-আন কৰিম বিৰুদ্ধ নহয়।

প্ৰকৃত মিছা ইছলামত পবিত্ৰ, হাৰাম আৰু শিৰিক অংশীবাদীতাৰ সমান সমান কিন্তু ভাও জোৰাটো প্ৰকৃত মিছা নহয়, উপায়হীন অৱস্থাত সৰ্বসাধাৰণৰ নিমিত্তে ইয়াৰ সাক্ষ্য হাদীছত পোৱা যায়। কিন্তু তথাপি লিখা আছে যে উত্তম সেই লোক, যিয়ে ভাওজোৰাটোও পছন্দ নকৰে। গতিকে ভাও জোৰা সৰ্বোচ্চ মানৰ তাকওয়াৰ পৰিপন্থী। মুঠতে মুকুলি মৰৱীয়া সত্যটোৱে হল উত্তম, যদিও তাৰ কাৰণে (তোমাক) হত্যা কৰা হয় বা জ্বলাই দিয়া হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ৰ জীৱনী সম্পৰ্কে আলোচনা কৰিম। যেতিয়া বণু নজিৰে আঁহজৰত (ছাঃ)ৰ ওপৰত আটা, ময়দা বনোৱা অৰ্থ্যাৎ গম পিহি গুৰি কৰা চকা পাট এটা পেলাই হত্যা কৰাৰ চেষ্টা কৰিছিল তেতিয়া আল্লাহ তায়ালা অহিৰ জড়িয়তে এই খবৰ আঁহজৰত জনাইছিল। তেতিয়া আঁহজৰত (ছাঃ)

য়ে তৎক্ষণাত তাৰ পৰা উঠি গুচি আহিছিল, যেনিবা কিবা প্ৰয়োজনত তেখেত (ছাঃ)য়ে তাৰ পৰা উঠি আহিছে। ইয়াৰ পিছত আঁহজৰত (ছাঃ) মদিনালৈ আহিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে সেই ঠাইৰ পৰা উঠি যোৱাৰ পিছতো চাহাবা সকলে কিছু সময় তাত অপেক্ষা কৰাৰ পিছত তেওঁলোকে মদিনালৈ ওভতি আহিছিল। যেতিয়া চাহাবা সকলে আহি মদিনা পাইছিলহি, তেওঁলোকে গম পাইছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ক মাতি পঠিয়াইছে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সুধিছিল যে ইয়া ৰছুলুলাহ ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি উঠি গুচি আহিল আৰু আমি গমকে নাপালো। তেতিয়া হুজুৰ (ছাঃ)য়ে কৈছিল যে ইহুদী সকলে প্ৰতৰণা কৰিব বিচাৰিছিল, আল্লাহ তায়ালা মোক জনোৱাত মই তাৰ পৰা উঠি গুচি আহিছোঁ।

আঁহজৰত (ছাঃ)য়ে হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ক মাতি আনি কৈছিল যে বণু নজিৰ গোত্ৰৰ ইহুদী সকলৰ ওচৰলৈ যোৱা আৰু তেওঁলোকক কোৱা যে -মোক ৰছুলুল্লাহ (ছাঃ)য়ে তোমালোকৰ ওচৰত পঠাই দিছে এই বাৰ্তা দি যে "তোমালোকে মোৰ এই চহৰৰ পৰা ওলাই যোৱা" মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে সেই ইহুদী সকলৰ ওচৰত গৈছিল আৰু তেখেতৰ (ৰাঃ)য়ে কৈছিল যে ৰছুলুল্লাহ (ছাঃ)য়ে মোক এটা বাৰ্তাসহ তোমালোকৰ ওচৰলৈ পঠাইছো। কিন্তু তাৰ আগতে মই তোমালোকক এনেকুৱা এটা কথা মনত পেলাই দিওঁ, যি তোমালোকে নিজৰ বৈঠকত বহি আলোচনা কৰিছিলা। ইহুদী সকলে সুধিছিল যে সেয়া কি কথানো আছিল? হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে মই তোমালোকক সেই তৌৰাতৰ (হাক) শপত দিছো, যি আল্লাহ তায়ালা মুছা (আইঃ)ৰ ওপৰত অৱতীৰ্ণ কৰিছে। কিয় তোমালোকৰ মনত আছেনে যে হজৰত মহম্মদ মোস্তফা (ছাঃ)ৰ আগমনৰ আগত মই তোমালোকৰ ওচৰত আহিছিলো, তোমালোকে নিজৰ সন্মুখত তৌৰাত খুলি লৈ বহি আছিলা আৰু মোক সেই বৈঠকত কৈছিলা যে হে ইবনে মুছলমাহ! যদি তুমি বিচৰা যে আমি তোমাক খাবলৈ দিব লাগে তেন্তে আমি তোমাক খাবলৈ দিম, যদি তুমি বিচৰা যে আমি তোমাক ইহুদী বনাব লাগে তেন্তে আমি তোমাক ইহুদী বনাই দিম। হজৰত মহম্মদ মুছলমাহ (ৰাঃ)য়ে কৈছে যে - মই তেতিয়া কৈছিলো কৈছিলো যে মোক আহাৰ খুওৱা, কিন্তু মোক ইহুদী নবনাবা। খোদা তায়ালাৰ কছম মই কেতিয়াওঁ ইহুদী নহওঁ। তোমালোকে মোক একথাল (কাহীঁ)ত খাদ্য দিছিলা আৰু তোমালোকে কৈছিলা যে এতিয়া তোমালোকৰ ওচৰত সেই ব্যাক্তি আহিব যিজন হব হাহিঁমূখৰ, যুদ্ধ কৰোঁতা, তাৰ চকুজুৰি হব জ্যোতিৰ্ময়, তেওঁ ইয়ামিনৰ ফালৰ পৰা আগমন কৰিব, তেওঁ উঠৰ ওপৰত আৰোহন কৰিব, তেওঁ চাদৰ মেৰিয়াই লব, তেওঁ অলপতে সন্তুষ্ট থাকিব, তাৰ তৰোৱাল তাৰ লগত ওলমিব, তেওঁ বৰ বুদ্ধিমতাৰে কথা পাতিব, যেনিবা তেওঁ তোমালোকৰ আত্মীয়জন। এয়া শুনি ইহুদী সকলে কৈছিল যে হয় আমি এনেদৰেই কৈছিলো কিন্তু সেই নবী নহয়। অৰ্থ্যাৎ আঁহজৰত (ছাঃ)সেই নবী নহয়।

তেতিয়া হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে কৈছিল যে মই মোৰ বাৰ্তা তোমালোকক জানালো, যি মই তোমালোকক মনত পেলাই দিবলগীয়া আছিল সেয়া মনত পেলাই দিলো। আকৌ এখেত (ৰাঃ)য়ে কৈছিল যে মোক ৰছুলুল্লাহ (ছাঃ)য়ে তোমালোকৰ ওচৰলৈ পঠাইছে আৰু তেখেত (ছাঃ)য়ে কৈছে যে তোমালোকে সেই চুক্তি ভংগ কৰিছা, যি চুক্তি মই তোমালোকৰ নিমিত্তে স্বাক্ষৰিত কৰিছিলো। কাৰণ যিহেতু তোমালোকে মোক প্ৰতাৰণা কৰিবলৈ চেষ্টা কৰিছা। অৰ্থ্যাৎ ঘটনা হল এয়া যে উমৰু বিন জুহাশ ঘৰৰ চালৰ ওপৰত উঠিছিল এই কাৰণে যাতে তেওঁ আঁহজৰত (ছাঃ)ৰ ওপৰত পাথৰ (চাক্কি) পেলাই দি তেখেত (ছাঃ)ক মাৰিব পাৰে। কিন্তু তেখেত (ছাঃ)য়ে তাৰ পৰা মনে মনে উঠি গুচি আহিছিল আৰু তেওঁ একো ক্ষতি সাধন কৰিব পৰা নাছিল। আকৌ হজৰত মহম্মদ মুছলমাহ (ৰাঃ)য়ে ইহুদী সকলক জনাইছিল যে আঁহজৰত (ছাঃ)য়ে কৈছে যে "তোমালোকে মোৰ এই চহৰৰ পৰা ওলাই যোৱা, মই তোমালোকক মাত্ৰ দহ দিন সময় দিলোঁ। ইয়াৰ পিছত যিজনক ইয়াত দেখিবলৈ পাম মই তাৰ ডিঙি দুছোৱা কৰিম"। সেই কেইটা দিনৰ ভিতৰতেই ইহুদী সকলে ঠাই এৰিবলৈ সাজু হৈছিল আৰু তেওঁলোকৰ বাহন জয়দৰ নামকৰ ঠাইখনৰ পৰা লৈ আনিছিল আৰু বণু আশজাই কবিলাৰ পৰা উট ভাড়াও লৈছিল আৰু ঠাই এৰি অইন ঠাইলৈ যাত্ৰা কৰিছিল।

ইহুদী সকলৰ আচাৰ আচৰণ বৰ্ণনা কৰোঁতে হজৰত খলিফাতুল মছিহ ছানি (ৰাঃ)য়ে লিখিছে যে বণু কুৰাইজৰ প্ৰৱঞ্চনা এনেকুৱা নাছিল যে সেই প্ৰতাৰণা মাৰ্জনা কৰিব পৰা যায়। ৰছুলে কৰিম (ছাঃ)য়ে খন্দকৰ যুদ্ধৰ পৰা ওভতি আহোতেই চাহাবা সকলক কৈছিল যে ঘৰত জিৰণী নলবা বৰং গধূলি হোৱাৰ আগে আগে বণু কুৰাইজাৰ দুৰ্গৰ ওচৰত উপস্থিত হব লাগিব। আকৌ তেখেত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক বণু কুৰাইজাৰ ওচৰত পঠাই দিছিল এয়া সুধিবলৈ যে তেওঁলোকে

চুক্তিৰ বিৰুদ্ধে কিয় এনেকুৱা প্ৰতাৰণা কৰিছে ? তেতিয়া বণু কুৰাইজা লাজ অপনান বোধ কৰি ক্ষমা বিচৰা বাদ দি হজৰত আলি (ৰাঃ)ক বেয়া আচৰণ কৰিবলৈ লৈছিল আৰু ৰছুলুল্লাহ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ বংশৰ মহিলা সকলক গালি শপনি দিছিল। হজৰত আলি (ৰাঃ)য়ে তেওঁলোকৰ এনে কদৰ্য্য উত্তৰ শুনি ঘূৰি আহিবলৈ লৈছিল, এনেতে ৰছুলুল্লাহ (ছাঃ)য়ে চাহাবা সকলৰ সৈতে ইহুদী সকলৰ দুৰ্গৰ ফালে গৈ আছিল।

আঁহজৰত (ছাঃ)য়ে গৈ ইহুদী সকলৰ দুৰ্গৰ ওচৰত উপস্থিত হওঁতেই ইহুদী সকলে দুৰ্গৰ দুৱাৰ বন্ধ কৰি দিছিল আৰু মুছলমান সকলৰ লগত লড়াই আৰম্ভ কৰিছিল। এনেকি ইহুদী মহিলা সকলেও এই কাজিয়াত যোগ দিছিল। ইহুদী সকলৰ দুৰ্গৰ বেৰৰ ওচৰত কেইজনমান মুছলমান বহি আছিল, তেতিয়া এজনী ইহুদী মহিলাই ওপৰৰ পৰা পাথৰ নিক্ষেপ কৰি এজন মুছলমানক নিহত কৰিছিল।

বণু কুৰাইজাৰ এজন লোক উমৰু বিন চৌদি, এওঁ এই সম্প্ৰদায়ৰ এজন চৰদাৰ আছিল। তেওঁ নিজৰ সম্প্ৰদায়ক কৰ্কথনা কৰিছিল আৰু কৈছিল যে তোমালোকে বিশ্বাস ঘতকতা কৰিছা, চুক্তি ভংগ কৰিছা। গতিকে এতিয়া মুছলমান হৈ যোৱা নহলে জিজিয়া দিবলৈ মান্তি হোৱা। ইয়াৰ উত্তৰত ইহুদী সকলে কৈছিল যে আমি মুছলমানও নহওঁ আৰু জিজিয়া নিদিওঁ। সিহঁতৰ হাতত নিহত হোৱা উত্তম। তেতিয়া এই লোকজনে কৈছিল যে মই তোমালোকৰ পৰা পৃথক হলো, এই বুলি তেওঁ দুৰ্গৰ পৰা বাহিৰ ওলাই আহিছিল। যেতিয়া তেওঁ দুৰ্গৰ বাহিৰত ওলাই আছিল তেতিয়া মুছলমান সকলৰ এটা দলে, যাৰ চৰদাৰ আছিল মহম্মদ বিন মুছলমাহ (ৰাঃ) দেখা পাই সুধিছিল তুমি কোন হয় ? তেওঁ উত্তৰত দিছিল যে মই অমুক হওঁ। তেতিয়া মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে তেওঁক কৈছিল নিৰাপদে যাব পাৰে আৰু আল্লাহ তায়ালাৰ ওচৰত দোৱা কৰিছিল যে হে আল্লাহ মোক সজ লোকৰ ভূল ঢাকি ৰখাৰ দৰে নেক আমলৰ পৰা কেতিয়াও বঞ্চিত নকৰিবা। যেতিয়া ৰছুলুল্লাহ য়ে মহম্মদ বিন মুছলমাহ (ৰাঃ)ক ভাল বেয়া একো কোৱা নাছিল বৰং তাৰ কাৰ্য্যৰ প্ৰশংসা কৰিছিল। গতিকে মুছলমান সকলে সদায় আঁহজৰত (ছাঃ)ৰ শিক্ষা আৰু তৰবিয়ত অনুযায়ী ন্যায়ৰ আচৰণ কৰিছে।

খয়বৰৰ বাসিন্দা সকলৰ চয়তানী আৰু আবু ৰাফিয়া ইহুদীৰ হত্যাৰ ঘটনাৰ বৰ্ণনা কৰোঁতে হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ও সেই লোকৰ মাজত এজন আছিল, যি সকল লোকে আবু ৰাফিয়াক হত্যা কৰিছিল। হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাবে এই ঘটনা এনেদৰে ব্যাখ্যা কৰিছে যে যি সকল ইহুদী নেতৃবৃন্দৰ বিবাদ সুলোভ প্ৰৰোচনাত ৫ হিজৰি চনৰ শেষ ভাগত মুছলমান সকলৰ বিৰুদ্ধে ভয়ানক আহযাবৰ যুদ্ধৰ সুত্ৰপাত ঘটিছিল, সেই সকলৰ মাজত হাই বিন আখতাব নামৰ লোকজনে বণু কুৰাইজাৰ সৈতে মিলি বিশ্বাস ঘাতকতাৰ কাৰ্য্য চৰম সীমা লৈ লৈ গৈছিল। কিন্তু ছালামা বিন আবি আল হাকিক যাৰ উপাধি আছিল আবু ৰাফিয়া তেতিয়াও খয়বৰ অঞ্চলত স্বাধীন ভাৱেই আছিল আৰু কাজিয়াৰ সুত্ৰপাত ঘটোৱাবলৈ চেষ্টা চলাই আছিল। তেওঁ নুজদৰ অহুদী আৰু জংজু কবিলা দুটাক মুছলমান সকলৰ বিৰুদ্ধে উচটনি দিছিল। এওঁ ৰছুলুল্লাহ (ছাঃ)ৰ শত্ৰুতা কৰি কাআব বিন আশ্ৰফৰ দৰে জঘন্য স্থাপন কৰিছিল। এওঁ গোথফান কবিলাক আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে আক্ৰমণ চলাবলৈ যথেষ্ট ধন মালেৰে সাহায্য কৰিছিল। আবু ৰফিয়া সিখিনিতে ক্ষান্ত হোৱা নাছিল। তেওঁৰ শত্ৰুতাৰ দাবানল মুছলমান সকলৰ তেজ পিপাসু আছিল। আঁহজৰত (ছাঃ)ৰ ব্যাক্তিত্ব তাৰ চকুৰ কুটা দাতঁৰ শাল হৈ পৰিছিল। গতিকে অৱশেষত তেওঁ চক্ৰান্ত ৰচি আহযাবৰ যুদ্ধৰ দৰে নুজদৰ গোথফান আৰু আন আন কবিলা সমুহলৈ ঢাপলি মেলিছিল আৰু তেওঁলোকক মুছলমান সকলৰ ধংসৰ নিমিত্তে এটা ডাঙৰ সৈন্যদল গোটাবলৈ আৰম্ভ কৰিছিল। যেতিয়া বিপদ আসন্ন হৈ পৰিছিল আৰু মুছলমান সকলৰ চকুৰ আগত সেই আহযাবৰ দৰে দৃশ্য ভাহি উঠিছিল তেতিয়া খজৰজ কবিলাৰ কেইজন মান আনছাৰী আহি আঁহজৰত (ছাঃ)ৰ দৰবাৰত উপস্থিত হৈ জনাইছিল যে এই বিবাদ নিষ্পত্তিৰ উপায় ইয়াৰ বাহিৰে আৰু নাই, যেনেকৈয়ে নহওঁক কিয়, এই বিবাদ সৃষ্টিকাৰী আবু ৰাফিয়াক শেষ কৰিব লাগিব। আঁহজৰত (ছাঃ)য়ে এই বিষয়টো চিন্তা কৰি কয় যে দেশত তেজৰ নৈ বৈ যোৱাৰ সলনি এজন বিবাদ সৃষ্টিকাৰীৰ মৃত্যু অতি উত্তম, সেই সকল চাহাবাক অনুমতি দিছিল আৰু আব্দুল্লাই বিন আতিক আনছাৰীৰ নেতৃত্বত চাৰিজন খজৰজী চাহাবীক, যি সকলৰ মাজত হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)ও আছিল, আবু ৰাফিয়াৰ শেষ আচঁটানিবলৈ পঠাইছিল। কিন্তু যোৱাৰ সময়ত নিৰ্দেশ দিছিল যে কোনো মহিলা অথবা শিশুক কেতিয়াও হত্যা নকৰিবা। গতিকে ছয় হিজৰি চনৰ ৰমজান মাহত এই দলটোৱে যাত্ৰা কৰিছিল আৰু বৰ সতৰ্কতাৰে নিজৰ কাৰ্য্য সম্পাদন কৰি ওভতি আহিছিল। এনেদৰে সেই বিপদৰ মেঘ

মদিনাৰ আকাশৰ পৰা দুৰ হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ছিৰাত খাতামান্নাবীঈনত লিখা আছে যে আবু ৰাফিয়াৰ হত্যাৰ উপায় সম্পৰ্কে আমি ইয়াত কোনো বিতৰ্কত লিপ্ত হোৱাৰ প্ৰয়োজন নাই। আবু ৰফিয়াৰ হত্যাৰ ইতিহাসত এটা মুক্ত পৃষ্ঠা হিচাপে আছে।

সেই সময়ছোৱাত মুছলমান সকলে বৰ দুৰ্বল অৱস্থাত চাৰিওফালৰ পৰা বিপদগ্ৰস্থ হৈ পৰিছিল। গোটেই দেশখন মুছলমান সকলক ধংস কৰিবলৈ একগোট হৈ উঠি পৰি লাগিছিল। এনে বিপদ সংকুল অৱস্থাত আবু ৰফিয়া আৰবৰ বিভিন্ন কবিলা বিলাকক ইছলামৰ বিৰুদ্ধে উচটাই দিছিল আৰু এই বিষয়ে সাজু হবলৈ লৈছিল যে আহযাবৰ যুদ্ধৰ দৰে আৰবৰ অহুশি কবিলা বিলাক একগোট হৈ আকৌ যেন মদিনাৰ ওপৰত আক্ৰমণ চলায়। আৰবত সেই সময়ত কোনো শাসক নাছিল যে যাৰ জড়িয়তে বিষয় এটা বিচৰাধীন হব বৰং প্ৰত্যেক কবিলা নিজৰ নিজৰ ঠাইত স্বাধীন আচিল। গতিকে নিজৰ ৰক্ষাৰ বাবে নিজেই উপায় বাছি লব লগা হৈছিল আৰু বেলেগ কোনো উপায় নাছিল। যি শাসন প্ৰাণালী আছিল সেয়া আঁহজৰত (ছাঃ)ৰ নিজৰ আছিল। যিয়েই নহওঁক এনে অৱস্থাত চাহাবা সকলে যি কৰিছিল সেয়া সম্পূৰ্ণ শুদ্ধ আৰু যথাযোগ্য আছিল। যুদ্ধ অৱস্থাত যিহেতু এটা সম্প্ৰদায় জীৱণ মৰণৰ বাটেৰে পাৰ হব লগা হৈছিল, তেনে ক্ষেত্ৰত এনে ধৰণৰ উপায় অৱলম্বন কৰাটো সম্পূৰ্ণ জায়েজ বুলি গণ্য কৰা হয়।

হজৰত উচমান (ৰাঃ)ৰ শ্বাহাদতৰ পিছত হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে ঘৰত অকলশৰীয়া ভাৱে থাকিবলৈ লৈছিল আৰু এখন কাঠৰ তৰোৱাল বনাই লৈছিল। হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে মোক এটা তৰোৱাল উপহাৰ দিছিল আৰু কৈছিল যে ইয়াৰ দ্বাৰা মুশৰিক সকলৰ লগত জিহাদ কৰিবা, যেতিয়ালৈকে সিহঁতে তোমালোকৰ লগত যুদ্ধ কৰি থাকে। আনহাতে যেতিয়া তুমি দেখিবা যে তেওঁলোকে পৰস্পৰে পৰস্পৰক হত্যা কৰিবলৈ লৈছে তেতিয়া সিহঁতক তুমি কোনো নিৰ্জন স্থানত লৈ আনি মৰিবা যেতিয়ালৈকে সিহঁতে ছিন্ন ভিন্ন হৈ নাযায়। তাৰ পিছত নিজৰ ঘৰত বহি থাকিবা যেতিয়ালৈকে তোমাৰ মৃত্যু নহয়। গতিকে তেখেত (ৰাঃ)য়ে তেনেকুৱাই কৰিছিল, সকলো ধৰণৰ বিবাদৰ পৰা আতঁৰি থাকিছিল আৰু জমালৰ যুদ্ধ আৰু চফিনৰ যুদ্ধত অংশগ্ৰহন কৰা নাছিল।

এখেত (ৰাঃ)ৰ মৃত্যু সম্পৰ্কে মতানৈক্য আছে। বিভিন্ন ৰোৱায়েত অনুযায়ী ৪৩,অথবা ৪৬ নাইবা ৪৭ হিজৰিত মদিনাত এখেত (ৰাঃ)ৰ মৃত্যু হৈছিল। সেই সময়ত এখেত (ৰাঃ) বয়স হৈছিল ৭৭ বছৰ। মৰুৱান বিন হাকম এখেত (ৰাঃ)ৰ নমাজে জানাজা পঢ়াইছিল। মৰুৱান বিন হাকম তেতিয়া মদিনাৰ আমিৰ আছিল। কোনো কোনো ৰোৱায়েতত এয়াও উল্লেখ আছে যে এখেত (ৰাঃ)ক কোনোবাই শ্বহীদ কৰি দিছিল ।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে নমাজে জুমাৰ পিছত এটা উপস্থিত জানাজাৰ নমাজ পঢ়া হব। উক্ত মৰহুমৰ নাম হল মকৰম তাজ উদ্দিন চাহাব, পিতা সদৰ উদ্দিনববৰ চাহাব। ২০২০ চনৰ ১০ ফেব্ৰুৱাৰীত ৮৪ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। মৰহুম আল্লাহৰ কৃপাত মুচি আছিল। এখেত ইউগণ্ডাত জন্ম গ্ৰহন কৰিছিল আৰু ১৯৬৭ চনত বৃটেইনত আহি থাকিবলৈ লৈছিল। ১৯৮৪ চনত যেতিয়া ইছলামাবাদ জমিন কিনা হৈছিল তেতিয়া মৰহুম এই ইছলামাবাদৰ নিমিত্তে খিদমত আগবঢ়াইছিল। ২২ বছৰ কাল ইছলামাবাদত থাকি বৰ একাগ্ৰতাৰে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। ইছলামাবাদৰ প্ৰথম জলছাৰ পৰা লৈ বৰ্তমানৰ শেষ জলছালৈকে মৰহুমে বৰ পৰিশ্ৰমৰে খিদমত কৰিছিল। হজৰত মছিহ মাওউদ (আইঃ)ৰ অতিথি বৃন্দক সকলো ধৰণৰ সুবিধা আগবঢ়োৱাৰ যথা সম্ভৱ চেষ্টা কৰিছিল। আল্লাহ তায়ালা মৰহুমৰ লগত ক্ষমাৰ আচৰণ প্ৰদৰ্শন কৰক আৰু মৰহুমৰ সতি সন্তানক তেখেতৰ দৰেই একাগ্ৰতা, আনুগত্য বজায় ৰখাৰ আৰু ধৈৰ্য্য, সাহস, দান কৰক (আমিন)

**********

## Assamese Khulasa Khutba Jumma Huzoor Anwar 14 FEB. 2020

**(BOOK POST PARINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**